# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-11-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - - - - - - - -**

১। কাইলৈ পুৱা সাত বজাৰ পৰা ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত উপ-নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ।

২। কেৰালাৰ ৱায়নাড সংসদীয় সমষ্টিকে ধৰি আন ১০ খন ৰাজ্যৰ ২৮টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ কাইলৈ ভোটগ্ৰহণ।

৩। দেশৰ অৰ্থনৈতিক উন্নয়নৰ বাবে জলাশয়সমূহ পুনৰুজ্জীৱিত কৰি তোলা প্ৰয়োজন বুলি কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ ব্ৰহ্মপুত্ৰ বোৰ্ডৰ অনুষ্ঠানত মন্তব্য।

৪। অসম সাহিত্য সভাৰ ২০২৫-২০২৭ দুবছৰীয়া কাৰ্যকালৰ বাবে পাঁচগৰাকী বিশিষ্ট সাহিত্যিকৰ নাম সভাপতি পদৰ নিৰ্বাচনৰ বাবে ঘোষণা। **আৰু**

৫। সমাগত ৰাস মহোৎসৱৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ব্যাপক প্ৰস্তুতি।

ooooo

কাইলৈ পুৱা সাত বজাৰ পৰা ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। বিয়লি ৫ বজালৈকে চলিবলগীয়া এই ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ভোটগ্ৰহণকাৰী দলসমূহ ইতিমধ্যে নিজ নিজ ভোটগ্ৰহেণ কেন্দ্ৰত উপস্থিত হৈছে। নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সময়ত ব্যাপক হিংসাত্মক ঘটনা সংঘটিত হোৱা চামগুৰি বিধানসভা সমষ্টিৰ আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰতে সশস্ত্ৰ নিৰাপত্তাৰক্ষী নিযুক্ত কৰা হৈছে। স্পৰ্শকাতৰ বুলি চিহ্নিত আন চাৰিটা সমষ্টিৰো ভোটগ্ৰহণ কেন্দ্ৰসমূহত সশস্ত্ৰ নিৰাপত্তা বাহিনী নিয়োগ কৰা হৈছে। ইয়াৰ উপৰি নিৰ্বাচন নিৰ্বিঘ্নে অনুষ্ঠিত কৰাৰ বাবে ভ্ৰাম্যমাণ আৰক্ষী আৰু নিৰাপত্তা বাহিনীয়ে ভোটগ্ৰহণ কেন্দ্ৰসমূহত তহল দিব। চিৰাং জিলাৰ আন্তৰ্জাতিক সীমান্ত অঞ্চলত আজি সন্ধিয়াৰে পৰা নিৰাপত্তা বাহিনীয়ে পহৰা ব্যৱস্থা অধিক শক্তিশালী তুলিছে।

চিদলী সমষ্টিৰ ৩৩ টা ভোটগ্ৰহণ কেন্দ্ৰ স্পৰ্শকাতৰ কেন্দ্ৰ হিচাপে চিনাক্ত কৰা হৈছে। ইয়াৰে ৯টা ভোটগ্ৰহণ কেন্দ্ৰ কোকৰাঝাৰ জিলাৰ অন্তৰ্গত। সমষ্টিটোৰ দুটা ভোটগ্ৰহণ কেন্দ্ৰক আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰৰূপে চিহ্নিত কৰা হৈছে আৰু এই কেন্দ্ৰ দুটাৰ ভোটগ্ৰহণকাৰী বিষয়া-কৰ্মচাৰীসকলৰ আটায়েই মহিলা।

বঙাইগাঁও, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিত মুঠ এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে চিদলীত ২৭৩টা, বঙাইগাঁৱত ২৪৬টা, চামগুৰিত ১৯৭টা, বিহালীত ১৫৪টা আৰু ধলাইত ২০৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। সমষ্টিকেইটাৰ উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিত ১১ গৰাকী, চিদলীত ৩ গৰাকী, বিহালীত ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিত ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। এই উপ-নিৰ্বাচনত

৯ লাখ ১২ হাজাৰৰো অধিকসংখ্যক ভোটদাতাই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এইসকলৰ মাজত পুৰুষ ভোটদাতাৰ সংখ্যা ৪ লাখ ৫৫ হাজাৰ ১২৪ আৰু মহিলা ভোটদাতাৰ সংখ্যা ৪ লাখ ৫৬ হাজাৰ ৮৮২ হোৱাৰ বিপৰীতে ১৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। উপ-নিৰ্বাচন হ'বলগীয়া আটাইকেইটা সমষ্টিতে এইবাৰ শাসকীয় বিজেপি, অসম গণ পৰিষদ, ইউ পি পি এল মিত্ৰজোঁট আৰু কংগ্ৰেছৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে।

কাইলৈ ভোটগ্ৰহণত ভোটদাতাসকলে ভোটদাতাৰ পৰিচয়পত্ৰ লগত অনাটো বাধ্যতামূলক কৰা হৈছে। ভোটদাতাসকলে পৰিচয়পত্ৰ হিচাপে আধাৰ কাৰ্ড, পেন কাৰ্ড, ফটোযুক্ত পাছবুক, ড্ৰাইভিং লাইছেন্স, ফটোযুক্ত পেন্সন পত্ৰ আৰু চৰকাৰী পৰিচয়পত্ৰকে ধৰি ১২খন নিৰ্দিষ্ট পৰিচয়পত্ৰৰ যিকোনো এখন আনিলেও ভোটদান কৰিব পাৰিব বুলি ৰাজ্যিক নিৰ্বাচনী বিষয়াই জনাইছে।

ooooo

কাইলৈ কেৰালাৰ ৱায়নাড় সংসদীয় সমষ্টিকে ধৰি আন ১০ খন ৰাজ্যৰ ২৮ টা বিধানসভা সমষ্টিৰ বাবেও উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। কাইলৈ ৰাজস্থানৰ ৭টা, পশ্চিমবংগৰ ৬টা, বিহাৰৰ ৪টা, কৰ্ণাটকৰ ৩ টা, মধ্য প্ৰদেশ আৰু ছিকিমৰ দুটাকৈ আৰু কেৰালা, ছত্তিশগড়, গুজৰাট আৰু মেঘালয়ৰ এটাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

উত্তৰ প্ৰদেশ, পঞ্জাব, কেৰালা আৰু উত্তৰাখণ্ডৰ ১৫ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে অহা ২০ নৱেম্বৰত ভোটগ্ৰহণ কৰা হ'ব। এই সমষ্টিকেইটাৰ উপৰিও মহাৰাষ্ট্ৰ নান্দেড় সংসদীয় সমষ্টিৰ বাবেও সেইদিনা ভোটগ্ৰহণ কৰা হ'ব।

ঝাৰখণ্ডতো কাইলৈ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ৪৩ টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ ১৫ হাজাৰ ৩৪৪ টা কেন্দ্ৰত সুকলমে আৰু শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সম্পন্ন কৰাৰ বাবে সুৰক্ষা বাহিনীৰ ২০০ টাৰো অধিক কোম্পানী নিয়োজিত কৰা হৈছে। প্ৰথম পৰ্যায়ত ৭৩ গৰাকী মহিলাসহ মুঠ ৬৮৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

ইপিনে, অহা ২০ নৱেম্বৰত হ'বলগীয়া মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, কংগ্ৰেছ নেতা ৰাহুল গান্ধী, এন চি পিৰ শাৰদ পাৱাৰ আদিকে ধৰি বিভিন্ন দলৰ জ্যেষ্ঠ নেতাসকলে আজি ৰাজ্যখনৰ ভিন ভিন ঠাইত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈছে। মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভাকে ধৰি উপ-নিৰ্বাচন অনুষ্ঠিত হোৱা ১১ খন ৰাজ্যৰ আটাইবোৰ সমষ্টিত অহা ২৩ নৱেম্বৰত ভোটগণনা কৰা হ'ব আৰু সেইদিনাই ফলাফল ঘোষণা কৰা হ'ব।

ooooo

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে আজি গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডে আয়োজন কৰা পানীৰ উৎসৰ ব্যৱস্থাপনা সম্পৰ্কীয় দুদিনীয়া কৰ্মশালা মুকলি কৰে। কৰ্মশালাখন মুকলি কৰি দিয়া ভাষণত শ্ৰী পাটিলে কয়, যে ভাৰতৰ অৰ্থনীতি জলসম্পদৰ ওপৰত নিৰ্ভৰশীল আৰু জলাশয়সমূহক পুনৰুজ্জীৱিত কৰি তোলা অতি প্ৰয়োজন। মন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয়, যে বহনক্ষম জলসম্পদৰ অবিহনে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'ব পৰা নাযাব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বান নিয়ন্ত্ৰণ আৰু নদী ব্যৱস্থাপনা সম্পৰ্কত নীতি আৰু কৌশলসমূহ উন্নত কৰি তোলা বিষয়ক লৈ আলোচনা কৰা হয়। এই বৈঠকত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগতে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০

গোৱালপাৰা সৈনিক স্কুলৰ হীৰক জয়ন্তীৰ বছৰজোৰা কাৰ্যসূচীৰ আজি সামৰণি পৰে। আজিৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য মুখ্য অতিথি হিচাপে উপস্থিত থাকি সৈনিক স্কুলৰ স্মৃতি সৌধৰ শুভ উদ্বোধন কৰাৰ লগতে মুকলি সভাত অংশগ্ৰহণ কৰে। মুকলি সভাত তেওঁ কয়, যে সৈনিক স্কুল গোৱালপাৰাই সৈন্য বাহিনীক শক্তিশালী কৰাত যথেষ্ট অৰিহণা যোগাই আহিছে। একেদৰে শিক্ষানুষ্ঠানখনৰ পৰা শিক্ষা সমাপ্ত কৰি নতুন প্ৰজন্মই বিভিন্ন ক্ষেত্ৰত কাম কৰি প্ৰধানমন্ত্ৰীৰ **এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ** সপোন বাস্তৱায়িত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

**বাইট (লক্ষ্মণ প্ৰসাদ আচাৰ্য)**

আজিৰ অনুষ্ঠান উপলক্ষে অস্ত্ৰ আৰু বেণ্ড প্ৰদৰ্শন, সৈন্য বাহিনীৰ দ্বাৰা ডগ শ্ব', লেজাৰ শ্ব', আতচবাজী প্ৰদৰ্শনৰ লগতে আন আন কাৰ্যসূচীৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে বিগত বৰ্ষৰ ১২ নৱেম্বৰৰ পৰা বিদ্যালয় কৰ্তৃপক্ষই ল'গ' প্ৰস্তুত কৰা, সৰ্বভাৰতীয় আন্তঃবিদ্যালয় কুইজ, সদৌ অসম ভিত্তিত অ'পেন এয়াৰ পিষ্টল আৰু এয়াৰ ৰাইফল শুটিং আদি প্ৰতিযোগিতাৰ লগতে আলোচনাচক্ৰ, ৰক্তদান শিবিৰ, গছপুলি ৰোপণ, সাংস্কৃতিক কাৰ্যসূচী আদি ৰূপায়ণ কৰি আহিছিল।

০০০০০

বিশিষ্ট নাট্যকাৰ, পৰিচালক ঋতুপৰ্ণ দাসৰ **কুৰুক্ষেত্ৰ** নামৰ নাটখন আকাশবাণীৰ অখিল ভাৰতীয় নাট্যানুষ্ঠানলৈ নিৰ্বাচিত হৈছে। অহা ১৭ নৱেম্বৰৰ নিশা চাৰে ৯ বজাত আকাশবাণী দিল্লী কেন্দ্ৰৰ পৰা হিন্দীত আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পৰা অসমীয়াৰ লগতে দেশৰ ৫৯১টা আকাশবাণী কেন্দ্ৰৰ পৰা অন্যান্য ২১টা আঞ্চলিক ভাষাত একে সময়তে সম্প্ৰচাৰ হ'ব। আকাশবাণী গুৱাহাটীৰ নাট বিভাগৰো বিষয়া ঋতুপৰ্ণ দাসে তেওঁৰ এই সফলতা সম্পৰ্কত এইদৰে কয়-

**বাইট (ঋতুপৰ্ণ দাস)**

০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২০২৭ দুবছৰীয়া কাৰ্যকালৰ বাবে পাঁচ গৰাকী বিশিষ্ট সাহিত্যিকৰ নাম সভাপতি পদৰ নিৰ্বাচনৰ বাবে আজি ঘোষণা কৰা হৈছে। আজি বিয়লি অসম সাহিত্য সভাৰ গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত আয়োজিত এখন বৈঠকৰ সামৰণিত সভাৰ সভাপতি সূৰ্যকান্ত হাজৰিকাই সভাপতি পদৰ বাবে উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে চূড়ান্ত কৰা এই পাঁচজনীয়া প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। তেওঁলোক হৈছে- অসম সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা সাহিত্যিক বসন্ত কুমাৰ গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন অধ্যাপক, সাহিত্যিক ড০ গোবিন্দ প্ৰসাদ শৰ্মা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক, গৱেষক ড০ উপেন ৰাভা হাকাচাম, প্ৰথিতযশা ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, সাহিত্যিক ড০ ভীমকান্ত বৰুৱা।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, অসম সাহিত্য সভাৰ পৰৱৰ্তী কাৰ্যকালৰ বাবে উপ-সভাপতি পদত ড০ বিপিন চন্দ্ৰ কলিতা, পদুম ৰাজখোৱা আৰু চহিৰ ভূঞা প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। প্ৰধান সম্পাদকৰ পদত অজিৎ প্ৰসাদ শৰ্মা, দেৱজিৎ বৰা আৰু সঞ্জীৱ শৰ্মাই প্ৰতিদ্বন্দ্বিতা কৰিব।

০০০০০

সমাগত ৰাস মহোৎসৱৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ব্যাপক প্ৰস্তুতি চলিছে। সত্ৰীয়া সংস্কৃতিৰ পীঠ স্থান মাজুলীৰ সত্ৰসমূহৰ লগতে উজনি অসমৰ বিভিন্ন জিলা আৰু নামনি অসমৰ ঠায়ে ঠায়ে ৰাস উৎসৱক কেন্দ্ৰ কৰি উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে।

শৰৎ কালৰ পূৰ্ণিমাৰ মনোৰম পৰিৱেশত পালন কৰা এই ৰাসলীলাৰ প্ৰস্তুতি উপলক্ষে মাজুলীৰ সত্ৰসমূহত উখল-মাখল পৰিবেশে বিৰাজ কৰিছে। প্ৰতিবছৰে মাজুলীৰ ৰাস মহোৎসৱ উপভোগ কৰিবলৈ দেশ বিদেশৰ বহু লোক আহি নদীদ্বীপটোত উপস্থিত হয়। এইবাৰ সত্ৰসমূহৰ লগতে স্থায়ী অস্থায়ী ভিত্তিত মুঠ ৬৫ খন ৰাস মহোৎসৱ জিলাখনত উদ্‌যাপন কৰা হ'ব। ১৪ৰ পৰা ১৮ নৱেম্বৰলৈ হ'বলগীয়া এই উৎসৱৰ মঞ্চসমূহত শিশু ৰাস, মিছিং ভাষাৰ ৰাসৰ লগতে ৪ খন ৰংগমঞ্চত সম্পূৰ্ণৰূপে মহিলা শিল্পীসকলৰ দ্বাৰা ৰাসলীলা পৰিৱেশন কৰা হ'ব। মাজুলীৰ ঐতিহাসিক চামগুৰি সত্ৰৰ মুখাশিল্পীসকল ৰাস উৎসৱৰ বাবে বিগত কিছুদিন ধৰি ব্যস্ত হৈ পৰিছে। সত্ৰত নিৰ্মিত মুখাৰ সহায়ত ৰাসলীলা পৰিৱেশনৰ বাবে বিভিন্ন চৰিত্ৰৰ ৰূপ দিয়া হয়। মাজুলীৰ এই ঐতিহ্যমণ্ডিত শিল্পৰ বিষয়ে বিশিষ্ট মুখাশিল্পী ড০ হেমচন্দ্ৰ গোস্বামীয়ে এইদৰে কয়-

**বাইট (ড০ হেমচন্দ্ৰ গোস্বামী)**

চৰাইদেউ জিলাৰ ঐতিহাসিক চুকাফা অঞ্চলত ৰাসলীলা উদযাপনৰ বাবে ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। ১৫ আৰু ১৬ নৱেম্বৰত জিলাখনৰ দৌলবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ৰাস মহোৎসৱ অনুষ্ঠিত কৰাৰ বাবে আখৰাত সকলো ব্যস্ত হৈ পৰিছে। নগাঁও জিলাৰ কঠিয়াতলিৰ ঐতিহাসিক বামুণীগোসাঁই প্ৰাংগণত ৰাস উৎসৱৰ আখৰাৰ বাবে উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। পৰহিলৈৰ পৰা তিনিদিনীয়াকৈ অঞ্চলটোত ৰাস উৎসৱ পালন কৰা হ'ব। জিলাখনৰ ৰহাৰ ভিন ভিন অঞ্চলৰ গাঁওসমূহৰ ৰাইজে এইবাৰ একেলগ হৈ প্ৰথমবাৰৰ বাবে দুদিনীয়াকৈ ৰাস উৎসৱ পালন কৰিব। শিৱসাগৰ জিলাৰ নাজিৰাৰ মেচাগড় ৰাস মহোৎসৱৰ বাবে উদ্যোক্তাসকলে বিশেষ আয়োজন কৰিছে। অঞ্চলটোৰ যুৱক-যুৱতীসকল ৰাসলীলাৰ আখৰা সম্পূৰ্ণ কৰাত ব্যস্ত হৈ পৰিছে।

উজনি অসমৰ লখিমপুৰকে ধৰি আন কেইবাখনো ঠাইৰ লগতে নামনি অসমৰ হাউলী, নলবাৰী, বজালীকে ধৰি বিভিন্ন অঞ্চলত ৰাস মহোৎসৱ উপলক্ষে যথাবিহিত ৰীতি-নীতিৰে পূজা অৰ্চনা কৰাৰ লগতে মৃণ্ময় মূৰ্তিৰ সহায়ত ৰাসলীলা পৰিৱেশন কৰা হ'ব।

০০০০০

দৰং জিলাৰ দলগাঁওস্থিত পণ্ডিত দিনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ সপ্তম প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি মহাবিদ্যালয়খনত **অসমীয়াত্বৰ যাত্ৰাত সমন্বয় আৰু স্বকীয়তা** শীৰ্ষক বক্তৃতাৰ আয়োজন কৰা হয়। বিশিষ্ট চিন্তাবিদ তথা লেখক ময়ূৰ বৰাই প্ৰদান কৰা এই ভাষণত বক্তাগৰাকীয়ে অসমীয়া জাতিসত্বা গঠনৰ ঐতিহাসিক পটভূমিত আলোকপাত কৰে আৰু অসমীয়া পৰিচয় গঠনত জড়িত ব্যক্তি বিশেষৰ অৱদান সম্পৰ্কত আলোচনা কৰে। মহাবিদ্যালয়খনৰ শিক্ষক গোটৰ উদ্যোগত আৰু আভ্যান্তৰীণ মান নিৰূপণ কোষৰ সহযোগত আয়োজিত এই অনুষ্ঠানত সভাপতিত্ব কৰে অধ্যক্ষ ড০ লক্ষ্মীপ্ৰসাদ হাজৰিকাই।

০০০০০

সমাপ্ত